[illegible]

# পূৰ্বাঞ্চল তাই-সাহিত্য সভা

## ২৮ তম্ দ্বি-বাৰ্ষিক অধিবেশন সম্পৰ্কীয় ঘোষণা আৰু নীতি-নিৰ্দেশনা

**২৮ তম্ দ্বি-বাৰ্ষিক অধিবেশন**

**ইং ১৬, ১৭, ১৮ আৰু ১৯ জানুৱাৰী, ২০০৯ ● ছ্যুকাফান্দ - ৭৮১**

**ডামচাও জীৱকান্ত গগৈ ক্ষেত্ৰ,**
**খুমটাই ● গোলাঘাট**

# আই ছিং লাও

চাও কাউ ঐ

চাও নু ৰূ চাও কাউ ঐ চাও নুৰূ চাও কাউ ঐ

ফা তু ছিং ফ্রুং হুম
ফা লাঙ্গ বেত
ফা পিন বেত
ফ্রা ফুৰা তেৰা আলং
ছি কিয়া ৰাণ নি পান
বয় মৌ চাও কাউ ঐ......।

চাও কাউ ঐ
পাক পেঞে কা কা ছন চেও খাম ডয়
মা লুং ম্যুং নাম না ঐ
হেউ পাং মুট ছি খ্রিং জাও ছুক না
ম' মুন বউ মুন ছেঞে
জী নাং লু ক্লিং খ'
চাও চু টাং ঙেউ চুকা
বয় চু মৌ চাও কাউ ঐ...।

আই কে খেন, আই কে খাম, আই ছাং ছিং
ম' ছেং ফা, ম' লাও খ্রী, পু জাক জী
জা ছিংফা, ছেং খাম, কন টুন মান
ম' খাও ৰাঙ ৰাও ম' ৰূ, ম' চিং, কন টুন মান
ম' ছাম ম' ছাই ম' প্লং, কন টুন মান
ছাম্ ম-মুন বাই জীম, কন টুন মান
টুক টাং লাই বয় মৌ চাও কাউ ঐ....।

## ২৮ তম্ দ্বি-বাৰ্ষিক অধিবেশন সম্পৰ্কীয় ঘোষণা

খুপতাং,

পূৰ্বাঞ্চল তাই সাহিত্য সভাৰ সংবিধানৰ অনুচ্ছেদ নং ২০ (বিশ) অনুসৰি, সভাৰ গোলাঘাট জিলা সমিতিৰ আমন্ত্ৰণ ক্ৰমে আৰু কেন্দ্ৰীয় সমিতিৰ সিদ্ধান্ত মৰ্মে ''বান-অক্ পাপ্-লিক্ ম্যুং-তাই''ৰ ২৮ তম্ দ্বি-বাৰ্ষিক অধিবেশনখনি ৪ (চাৰি) দিনীয়া বৰ্ণাঢ্য কাৰ্য্যসূচীৰে অহা ইং ১৬, ১৭, ১৮ আৰু ১৯ জানুৱাৰী ২০০৯ তাৰিখে গোলাঘাট জিলাৰ বুৰঞ্জী প্ৰসিদ্ধ খুমটাইৰ ডাম চাও জীৱকান্ত গগৈ ক্ষেত্ৰত অনুষ্ঠিত কৰা হ'ব।

এই অধিবেশনখনি সৰ্বাঙ্গসুন্দৰ আৰু সফল কাম কৰি তুলিবৰ বাবে আদৰণি সমিতিৰ সহযোগত পূৰ্ণ প্ৰস্তুতি চলাই থকা হৈছে।

১২২৮ খৃঃ ডিন্ চেং (আঘোণ) মাহৰ এক সোণালী পুৱাত চাওলুং ছ্যু-কা-ফাই ''ম্যুং-দুন-ছুন-খাম''ত ভৰি দিছিলহি, লগত লৈ আহিছিল সু-সভ্য তাই জাতিৰ ভাষা, সাহিত্য আৰু সংস্কৃতি। চাওলুং ছ্যু-কা-ফাই সীমাৰ পৰিধি ভাঙি, নিজস্ব ভাষা, সংস্কৃতি আৰু ধৰ্মক ৰক্ষা কৰিও, সেইসময়ত এই ভূখণ্ডত বসবাস কৰা মৰাণ, মটক, কছাৰী, বৰাহী, চুতীয়া আদি বিভিন্ন জনগোষ্ঠীৰ সতে একাত্মতা স্থাপন কৰি অসম, অসমীয়া সংস্কৃতি আৰু বৃহৎ অসমীয়া জাতি গঠন প্ৰক্ৰিয়াৰ পাতনি মেলিছিল। তেখেতৰ পৰৱৰ্তী আহোম চাও-ফা সকলৰ পৃষ্ঠপোষকতাত উদাৰমনা তাই আহোমসকলে অসম আৰু বৃহৎ অসমীয়া জাতি গঠন প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিছিল।

অসম আৰু অসমীয়া জাতি গঢ় দিওঁতা তাই আহোমসকলৰ ছশ বছৰীয়া গৌৰৱোজ্জ্বল শাসনৰ ইতিহাস, ঐতিহ্যপূৰ্ণ সাংস্কৃতিক অৱদান আৰু কীৰ্তিচিহ্ন সমূহ আজি অনাদৰ আৰু অৱহেলাত ধ্বংসমুখী। ই এটা জাতিৰ বাবে শুভলক্ষণ নহয়। জীয়া জাতিৰ লক্ষণ হৈছে অতীতক বৰ্তমানৰ মাজত জীয়াই ৰাখি জাতিটোৰ ভাষা, সাহিত্য, সংস্কৃতিৰ সৰ্বাঙ্গীণ বিকাশৰ বাবে বিজ্ঞানসম্মত ভাবে দিশ নিৰ্ণয় কৰি কাৰ্য্য ব্যৱস্থা গ্ৰহণ কৰা। বৰ্তমানৰ পৰিবৰ্তিত ৰাজনৈতিক আৰু সামাজিক পৰিস্থিতিত তাই আহোম তথা অন্যান্য তাই জনগোষ্ঠীয় লোকসকলৰ জাতীয় অস্তিত্ব ৰখা সম্ভৱনে? এইক্ষেত্ৰত তাই আহোম তথা অন্যান্য তাই জনগোষ্ঠীয় লোকসকলে কেনে ধৰণৰ কাৰ্য্যপন্থা গ্ৰহণ কৰা উচিত ? আমাৰ কৰণীয় কি? এইতোৰেই বৰ্তমান সময়ৰ বিচাৰ্য বিষয়।

এই অধিবেশনৰ স্থলীত সমবেত হ'বহি তাই সাহিত্যৰ অনুৰাগী ভাষাবিদ, বুৰঞ্জীবিদ, সমাজ সংগঠক, গৱেষক, পণ্ডিত, পুৰোহিত আৰু বহু সংখ্যক তাই বংশোদ্ভৱ ৰাজনীতিক। ইয়াৰোপৰি থাইলেণ্ড, ভিয়েটনাম, লাওচ আদি দেশৰ ৰাষ্ট্ৰদূত সকল আৰু সুখ্যাত তাই

পণ্ডিত সকলকো আমন্ত্ৰণ জনোৱা হৈছে। মণিপুৰ, নগালেণ্ড, অৰুণাচল, ডিব্ৰুগড় আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ কেইবাগৰাকী পণ্ডিত-গৱেষকো আহি আলোচনা আৰু মত বিনিময়ত অংশগ্ৰহণ কৰিবহি। ইয়াৰ যোগেদি তাই ভাষা, সাহিত্য, সংস্কৃতি আৰু ইতিহাসক বিশ্বৰ দৰবাৰত এক নতুন ৰূপত প্ৰতিষ্ঠা কৰাৰ উপায় উদ্ভাৱণৰ প্ৰচেষ্টা চলোৱা হ'ব।

সভাৰ সমূহ নিয়মীয়া প্ৰতিনিধিয়ে অধিবেশনৰ চাৰিওটা দিনত হ'বলগীয়া এই বিশদ আলোচনা সমূহত আৰু তাই ভাষা, সাহিত্য, সংস্কৃতিৰ উত্তৰণৰ হকে গ্ৰহণ কৰিবলগীয়া গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত সক্ৰিয় অংশগ্ৰহণ কৰিব পাৰিব।

এই অধিবেশনতে আমি পূৰ্বাঞ্চল তাই সাহিত্য সভাৰ অহা দুটা বছৰীয়া কাৰ্য্যকালৰ বাবে এগৰাকী নতুন সভাপতিৰ নিৰ্বাচন আৰু এখন নতুন কেন্দ্ৰীয় সমিতিও গঠন কৰিম।

এই অধিবেশনত উপস্থিত থাকিব সভাৰ হাজাৰোধিক আজীৱন সদস্য, ততোধিক সাধাৰণ সদস্য আৰু সহস্ৰাধিক তাই বংশোদ্ভব লোক। তেখেতসকলৰ লগত আলোচনা আৰু মত বিনিময়ৰ যোগেদি আমাৰ মাজৰ বন্ধুত্ব, ভাতৃত্ব আৰু সমন্বয়ৰ এনাজৰী ডাল দৃঢ় কৰিবলৈও সুবিধা পাম।

এই অধিবেশনত অসমৰ মাননীয় মুখ্যমন্ত্ৰী শ্ৰীযুত তৰুণ গগৈদেৱ আৰু কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী শ্ৰীযুত বিজয়কৃষ্ণ সন্দিকৈ দেৱ মূখ্য অতিথি হিচাপে উপস্থিত থাকিব। লগতে আমন্ত্ৰণ কৰা হৈছে চুবুৰীয়া কেইবাখনো ৰাজ্যৰ মূখ্যমন্ত্ৰী আৰু অসম তথা অৰুণাচল প্ৰদেশৰ বিশিষ্ট ৰাজনৈতিক ব্যক্তিক।

সেয়েহে, সভাৰ অন্তৰ্ভূক্ত সমূহ শাখা, আঞ্চলিক আৰু জিলা সমিতি সমূহৰ লগতে সমূহ আজীৱন তথা প্ৰাথমিক সদস্যক এনে এখন গুৰুত্বপূৰ্ণ অধিবেশনৰ কেউদিনৰ কাৰ্য্যসূচীতে যোগদান ও সক্ৰিয় অংশগ্ৰহনৰে অধিবেশনখনি সাফল্যমণ্ডিত কৰি তুলিবলৈ সাদৰ নিমন্ত্ৰণ আৰু বিনম্ৰ অনুৰোধ জনালোঁ।

ৰং বয় বয়

(signature)

( ডাঃ নৰজ্যোতি চেলেং )
সাধাৰণ সম্পাদক
পূৰ্বাঞ্চল তাই সাহিত্য সভা


<u>যোগাযোগৰ ঠিকনা ঃ—</u>

**Dr. N. J. Cheleng**
**RONTIX HOSPITAL**
Margherita – 786 181, Assam
Mobile no. 9707715520




## সমিতি নবীকৰণ আৰু পূণৰ্গঠন সম্পৰ্কীয় নিৰ্দেশনা

১। পূৰ্বাঞ্চল তাই সাহিত্য সভাৰ অন্তৰ্ভূক্ত সমূহ শাখা / আঞ্চলিক / জিলা সভাই বাৰ্ষিক অধিবেশন পাতি সমিতি সমূহ পূণৰ্গঠন / নবীকৰণ কৰি ইয়াৰ প্ৰতিবেদন অহা ইং ১৫-১২-২০০৮ তাৰিখৰ ভিতৰত কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদকৰ হাতত জমা দিব।

২। প্ৰতি শাখা / আঞ্চলিক সভাই বছৰেকীয়া সাধাৰণ সভ্য ভৰ্ত্তিকৰণৰ বাবে ৰছীদ বহী জিলা সভাৰ সভাপতি / সম্পাদক অথবা সংশ্লিষ্ট জিলাক প্ৰতিনিধিত্ব কৰা কেন্দ্ৰীয় সমিতিৰ সাংগঠনিক সম্পাদকৰ পৰা সংগ্ৰহ কৰিব।

৩। প্ৰতি শাখাই অহা ইং ১৫-১২০২০০৮ তাৰিখৰ ভিতৰত আঞ্চলিক বা জিলা সভাৰ সহযোগত নিজ নিজ শাখাৰ অন্তৰ্ভূক্ত সমূহ সাধাৰণ সভ্যৰ তালিকা (সম্পূৰ্ণ নাম, ঠিকনা, ফোন নং সহ) বছৰেকীয়া সভ্যৰ বৰঙণিসহ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদকৰ হাতত জমা দিব। শাখা, আঞ্চলিক আৰু জিলা সভা সমূহে প্ৰাপ্তি ৰছীদত চহী কৰি নিজ নিজ অংশ আদায় লব। (প্ৰতিজন সাধাৰণ সভ্যৰ বছৰেকীয়া বৰঙনি ২১ (একৈশ) টকা। ইয়াৰে শাখাৰ অংশ ৪ (চাৰি) টকা, আঞ্চলিকৰ ২ (দুই) টকা আৰু জিলাৰ ২ (দুই) টকা। বাকী কেন্দ্ৰীয় সমিতিৰ অংশ।)

৪। আঞ্চলিক আৰু জিলা সমূহে নতুন শাখা আঞ্চলিক গঠনৰ প্ৰক্ৰিয়া সমাপ্ত কৰি ইং ১৫-১২-২০০৮ তাৰিখৰ ভিতৰত শাখা বিলাকৰ পঞ্জীয়ণ ওপৰত উল্লেখ কৰামতে কৰাব।

৫। প্ৰতি শাখা, আঞ্চলিক আৰু জিলা সভাই ইং ১৫-১২-২০০৮ তাৰিখৰ ভিতৰত নিজ নিজ কাৰ্য্যনিৰ্বাহকৰ তালিকা (সম্পূৰ্ণ নাম, ঠিকনা, ফোন নং সহ) কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদকৰ হাতত জমা দিব।

বিঃদ্ৰঃ—

পুৰণি সমিতি সমূহৰ নবীকৰণ আৰু নতুন সমিতিৰ পঞ্জীয়ন ইং ১৫-১২-২০০৮ তাৰিখৰ ভিতৰত সম্পূৰ্ণ কৰিব। **অধিবেশন স্থলীত নবীকৰণ আৰু নতুন সমিতিৰ পঞ্জীয়ণ কৰা নহ'ব।**